# অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানী

## TEXTUAL QUESTIONS AND ANSWERS

---

**ক্ৰিয়া-কলাপ**

**প্ৰশ্ন ১: চমু উত্তৰ দিয়া –**

( ক ) চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জন্ম ক'ত আৰু কেতিয়া হৈছিল ?

**উত্তৰঃ** চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জন্ম দৈশিঙ্গৰী গাৱঁত ১৯০১ চনত জন্ম হৈছিল ।

( খ ) চন্দ্ৰপ্ৰভাৰ পিতৃ আৰু মাতৃৰ নাম কি আছিল ?

**উত্তৰঃ** চন্দ্ৰপ্ৰভাৰ পিতৃৰ নাম আছিল ৰাতিম মজুমদাৰ আৰু মাতৃৰ নাম গংগাপ্ৰিয়া মজুমদাৰ ।

( গ ) চন্দ্ৰপ্ৰভাৰ কেইগৰাকী বাই – ভনী আছিল আৰু তেওঁলাোকৰ জীৱনৰ লক্ষ্য কি আছিল ?

**উত্তৰঃ** চন্দ্ৰপ্ৰভাৰ ৰামেশ্বৰী নামৰ একেগৰাকী ভনীয়েক আছিল । চন্দ্ৰপ্ৰভাৰ জীৱনৰ লক্ষ্য আছিল দেশসেৱিকা হাোৱা আৰু ৰামেশ্বৰীৰ লক্ষ্য আছিল ডাক্তৰণী হাোৱা ।

( ঘ ) চন্দ্ৰপ্ৰভাহঁতে প্ৰাইমাৰী স্কুলত পঢ়িবলৈ ক'লৈ যাবলগীয়া হৈছিল ?

**উত্তৰঃ** ভালুকমাৰী গাঁৱৰ মাহীয়েকৰ ঘৰলৈ যাবলগীয়া হৈছিল ।

( ঙ ) অসমত সহ – শিক্ষাৰ কোনে পাতনি মেলিছিল ?

**উত্তৰঃ** চন্দ্ৰপ্ৰভা আৰু তেওঁৰ ভনীয়েক ৰামেশ্বৰীয়ে ( ৰজনী প্ৰভা ) অসমত সহ শিক্ষাৰ পাতনি মেলিছিল ।

( চ ) চন্দ্ৰপ্ৰভাৰ পূৰ্বৰ নাম কি আছিল ?

**উত্তৰঃ** চন্দ্ৰপ্ৰভাৰ পূৰ্বৰ নাম আছিল চন্দ্ৰপ্ৰিয়া ।

( ছ ) কোনে চন্দ্ৰপ্ৰভাক নগাঁৱৰ মিছ স্কুলত পঢ়াৰ সুবিধা কৰি দিছিল ?

**উত্তৰঃ** সেই সময়ৰ স্কুলৰ উপ – পৰিদৰ্শক নীলকান্ত বৰুৱাই সুবিধা কৰি দিছিল ।

( জ ) ১৯১৮ চনত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ বছৰেকীয়া অধিৱেশনৰ সভাপতি কোন আছিল ?

**উত্তৰঃ** ১৯১৮ চনত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ বছৰেকীয়া অধিৱেশনৰ সভাপতি  আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায় আছিল ।

( ঝ ) সাহিত্য সভাৰ কোনগৰাকী সভাপতিয়ে চন্দ্ৰপ্ৰভাক মহিলা সংগঠন এটা গঢ়ি তুলিবলৈ আহ্বান জনাইছিল ?

**উত্তৰঃ** সাহিত্য সভাৰ ধুবুৰী অধিৱেশনৰ সভাপতি বেণুধৰ ৰাজখোৱাই মহিলা সংগঠন এটা গঢ়ি তুলিবলৈ আহ্বান জনাইছিল ।

( ঞ ) চন্দ্ৰপ্ৰভাই সম্পাদনা কৰা আলোচনী খনৰ নাম কি আছিল ?

**উত্তৰঃ** চন্দ্ৰপ্ৰভাই সম্পাদনা কৰা আলোচনী খনৰ নাম হ’ল অভিযাত্ৰী ।

( ট ) প্ৰথম অসমীয়া মহিলা ডাক্তৰণী কোন ?

**উত্তৰঃ** প্ৰথম অসমীয়া মহিলা ডাক্তৰণী হ’লৰ- জনীপ্ৰভা মজুমদাৰ ।

**প্ৰশ্ন ২: পাঠটিৰ আধাৰত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ব্যক্তিত্বৰ চমু আভাস দিয়া।**

**উত্তৰঃ** অসমৰ এখন অতি পিছপৰা গাঁৱত জন্ম লাভ কৰা চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে নিজৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ গুণত সামাজিক , ৰাজনৈতিক , অৰ্থনৈতিক আদি সকলো দিশতে নিজৰ অধিকাৰ সাব্যস্ত কৰি উদ্ভাসিত হৈ উঠিছিল । স্বাধীনচিতীয়া , দৃঢ়মনা চন্দ্ৰপ্ৰভা আছিল একাধাৰে — এগৰাকী আদৰ্শবান শিক্ষয়িত্ৰী , দেশসেৱিকা , বিপ্লৱী , নাৰীমুক্তিৰ প্ৰবক্তা , সুবক্তা আৰু লেখিকা। নিজৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত কোনো ধৰণৰ বাধাৰ ওচৰত হাৰ নমনা চন্দ্ৰপ্ৰভাৰ মনৰ দৃঢ়তাৰ উমান পোৱা যায় । এম . ভিস্কুলত ল’ৰাৰ স’তে সহ – শিক্ষা গ্ৰহণ কৰা কথাটোতে , যিটো কথা সেইসময়ত প্ৰায় অকল্পনীয় আছিল।নগাঁৱৰ মিছ স্কুলৰ অধ্যক্ষৰ অন্যায় কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰা

কথাটোৰ মাজত ফুলকুমলীয়া অৱস্থাতে তেওঁৰ বিপ্লৱী সত্বাৰ ঘূৰণ ঘটা দেখিবলৈ পাোৱা যায় । সৰু কালতে দেশসেৱিকা হাোৱাৰ লক্ষ্য স্থিৰ কৰি লাোৱা চন্দ্ৰপ্ৰভাই মহাত্মাগান্ধীৰ সান্নিধ্য পাোৱাৰ পিছতে দেশ সেৱাত একান্তভাৱে নামি পাৰিছিল । তেওঁ এগৰাকী ভাল লেখিকাও আছিল । ‘ অভিযাত্ৰী ’ নামৰ আলাোচনী এখন তেওঁ সম্পাদনাও কৰিছিল।

কিন্তু সৰ্বান্তঃ কৰণে মহিলাৰ উন্নতি বিচৰা চন্দ্ৰপ্ৰভাই নাৰীমুক্তিৰ কামত অহৰহ লাগি থাকোতে তেওঁৰ সাহিত্য – চৰ্চাৰ দিশতাে বাদ পৰি গৈছিল। চন্দ্ৰপ্ৰভাই বিভিন্ন সভা – সমিতিত প্ৰদান কৰা সাৰ গৰ্ভ আৰু তেজস্বী বক্তৃতাৰ জৰিয়তে এগৰাকী সুবক্তা হিচাপেও পৰিচিতি লাভ কৰিছিল। অনন্য ব্যক্তিত্বৰ অধিকাৰী চন্দ্ৰপ্ৰভা শইকীয়ানী কংগ্ৰেছৰ এগৰাকী নিঃস্বাৰ্থ কৰ্মী আছিল । ১৯২৬ চনত গুৱাহাটীত অনুষ্ঠিত কংগ্ৰেছৰ অধিবেশনলৈ যাোৱাৰ বাবে শিক্ষা বিভাগ কৰ্তৃপক্ষই তেওঁক স্কুলৰ পৰা ছুটী নিদিয়াত তেওঁ প্ৰধান শিক্ষয়িত্ৰীৰ চাকৰি ত্যাগ কৰি অধিৱেশনত যাোগ দিছিলগৈ । তেওঁৰ জীৱন আৰু কৰ্মৰাজি অসমৰ ইতিহাসৰ এক আদৰণীয় অধ্যায় হৈ ৰব ।

**প্ৰশ্ন ৩: “ চন্দ্ৰপ্ৰভাৰ বিপ্লবী প্ৰাণত বিপ্লৱৰ জোৱাৰ উঠিল । ” — ইয়াত কি বিপ্লৱৰ জোঁৱাৰ উঠাৰ কথা কোৱা হৈছে ।**

**উত্তৰঃ** চন্দ্ৰপ্ৰভা নগাঁৱৰ মিছ স্কুলত পঢ়ি থকা সময়ৰ কথা । সেই সময়ত এনেবাোৰ স্কুলত ধৰ্মান্তৰ কৰাৰ প্ৰথা জোৰেৰে প্ৰচলিত আছিল । এজনী ছাোৱালীক খৃষ্টান ধৰ্মলৈ ধৰ্মান্তৰ কৰা হৈছিল । স্কুলৰ অধ্যক্ষৰ কথামতে ধৰ্মান্তৰ গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰা নিৰাশ্ৰয়া ছাোৱালীক এটা কোঠাত থাকিবলৈ দি কষ্ট দিবলৈ ধৰিলে । এই কথাটো চন্দ্ৰপ্ৰভাৰ সহ্য নহ’ল । তেওঁ নিজে নেতৃত্ব লৈ স্কুলৰ ছাোৱালীবাোৰক লগ লগাই এই অন্যায় কাৰ্যৰ প্ৰতিবাদ কৰিলে ।

শেষত স্কুলৰ অধ্যক্ষই এই প্ৰতিবাদৰ ওচৰত সেও মানি ছাত্ৰীসকলৰ দাবীসমূহ মানি ল’লে । ফুলকুমলীয়া বয়সৰ ছাত্ৰী হৈ থকা অৱস্থাতে চন্দ্ৰপ্ৰভাই এই যে অন্যায়ৰ বিৰুদ্ধে গজি উঠাৰ সাহস আৰু মানসিক দৃঢ়তা দেখুৱালে তাকে “ চন্দ্ৰপ্ৰভাৰ বিপ্লৱী প্ৰাণত বিপ্লৱৰ জোৱাৰ উঠিল ” বুলি কোৱা হৈছে ।

**প্ৰশ্ন ৪: নাৰীৰ শিক্ষা আৰু নাৰীৰ অধিকাৰৰ বাবে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে কেনেধৰণৰ ভূমিকা পালন কৰিছিল তাোমাৰ ভাষাত লিখা।**

**উত্তৰঃ** চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে নাৰীৰ শিক্ষা নাৰীৰ অধিকাৰ তথা নাৰীমুক্তিৰ কাৰণে জীৱনৰ সৰ্বস্ব ত্যাগ কৰিছিল । নাৰীৰ প্ৰতি কৰা অন্যায় – অবিচাৰ চন্দ্ৰপ্ৰভাৰ বিপ্লৱী সত্তাই সহ্য কৰিব নাোৱাৰিছিল । য’তেই তেওঁ এনেকু কাৰ্য দেখিছিল , তাতেই তেওঁ প্ৰতিবাদ কৰিছিল । ১৯২৫ চনত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনতে

এনেকুৱা ঘটনা এটি ঘটিছিল । সেই অধিবেশনলৈ বিশিষ্ট অতিথি ৰূপে আমন্ত্ৰিত চন্দ্ৰপ্ৰভাই নিৰ্দিষ্ট আসনৰ পৰা সন্মুখত বাঁহৰ চিৰ আগত বহা মহিলা দৰ্শকসকলক দেখি মঞ্চত থিয় হৈ তেওঁ এনে ব্যৱস্থাৰ তীব্ৰ প্ৰতিবাদ জনাইছিল । নাৰীৰ অধিকাৰৰ স্বাৰ্থত কেইগৰাকীমান

প্ৰগতিশীল মহিলাৰ সহযা েগত তেওঁ এটি মহিলা সংগঠনো গঢ়ি তুলিছিল।তেওঁৰ সম্পাদনাত ওলা েৱা ‘অভিযাত্ৰী’য়ে অসমত নাৰী –

জাগৰণত ইন্ধন যা েগা েৱাৰ উপৰিও বহুতা ে সু – লেখিকা গঢ় দিয়াত সহায় কৰে । চন্দ্ৰপ্ৰভাই তেজপুৰৰ ছা েৱালী মজলীয়া স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ চাকৰি এৰি নিজ ঘৰলৈ উভতি অহাৰ পিছত নাৰী শিক্ষা আৰু নাৰীৰ অধিকাৰৰ বিষয়ে গাঁৱে – ভূঞে প্ৰচাৰ কৰি ফুৰিছিল । ওপৰৰ কথাবা েৰৰ পৰা বুজা যায় অসমৰ অগ্নিকন্যা স্বৰূপ চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে নাৰীৰ শিক্ষা আৰু নাৰীৰ অধিকাৰ বাবে যথেষ্ট কাম কৰিছিল ।

**প্ৰশ্ন ৫: ব্যাখ্যা কৰা –**

**( ক ) সকলা ে ত্যাগ কৰিবা — কিন্তু অধিকাৰ ত্যাগ নকৰিবা ।**

**উত্তৰঃ** কথাফাকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট , লক্ষ্যধৰ চৌধুৰীদেৱে লিখা “ অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানী ” নামৰ পাঠটিৰ পৰা তুলি অনা হৈছে ।

মানুহে যে নিজৰ অধিকাৰ সম্বন্ধে সচেতন হা েৱা উচিত , সেই কথাটোকে লিখকে আমাক উক্ত বাক্যটিৰ মাজেৰে কৈছে ।

সামাজিক , ৰাজনৈতিক , অৰ্থনৈতিক , শৈক্ষিক , ধৰ্মীয় আদি বিভিন্ন ক্ষেত্ৰত মানুহৰ নিজ নিজ অধিকাৰ থাকে । এই অধিকাৰবা েৰৰ প্ৰতি মানুহ সচেতন হা েৱা দৰকাৰ । মানুহে এই অধিকাৰ ত্যাগ কৰিলে বা কোনা েবাই তেওঁৰ অধিকাৰ খৰ্ব কৰিলে মানুহজনে ইয়াৰ কুফল ভা েগ কৰিবলগীয়া হয় । সামাজিক অধিকাৰ না েহা েৱা হ’লে সমাজত মানুহৰ অস্তিত্বই বিপন্ন হৈ পৰে । শৈক্ষিক অধিকাৰ হেৰুৱালে মানুহৰ জীৱন অজ্ঞানতাৰ অন্ধকাৰত নিমজ্জিত হ’ব । অন্যান্য অধিকাৰ না েহা েৱা হ’লেও মানুহে নিশ্চিতভাৱে তাৰ কু – ফল ভা েগ কৰিব লাগিব । সেয়েহে

লিখকে সকলা ে ত্যাগ কৰিলেও অধিকাৰ ত্যাগ নকৰিবলৈ সকলা েকে সকিয়াই দিছে ।

**( খ ) সেইসন্মিলনত চন্দ্ৰপ্ৰভাই নিৰ্দিষ্ট আসনৰ পৰা সন্মুখত বাঁহৰ চিকৰ আগত বহা মহিলা দৰ্শকসকলক দেখি গুজৰি উঠিল ।**

**উত্তৰঃ** কথাফাকি আমাৰ পাঠ্যপুথিৰ অন্তৰ্ভুক্ত লক্ষ্যধৰ চৌধুৰীদেৱে লিখা " অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানী " নামৰ পাঠটিৰ পৰা তুলি অনা হৈছে ।

বাক্যটিৰ মাজেৰে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ প্ৰতিবাদী তথা বিপ্লৱী মানসিকতাৰ প্ৰকাশ পাইছে ।

চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে নাৰীশিক্ষা , নাৰী – অধিকাৰ – তথা নাৰীযুক্তিৰ নামত সৰ্বস্ব ত্যাগ কৰিছিল । নাৰীৰ প্ৰতি কৰা অন্যায় , অবিচাৰ তেওঁৰ বিপ্লৱী মনে কেতিয়াও গ্ৰহণ কৰিব নাোৰাৰিছিল। য'তেই তেওঁ এইবাোৰ হাোৰা দেখিছিল , তাতেই তেওঁ প্ৰতিবাদ মুখৰ হৈ উঠিছিল । ১৯২৫ চনত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনত তেনেকুৱা ঘটনা এটাই ঘটিছিল । সেই অধিৱেশনত মহিলা দৰ্শকসকলক মঞ্চৰ সন্মুখত বাঁহৰ চিকৰ আগত বহিবলৈ দিয়া হৈছিল । অধিবেশন খনলৈ চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰিত হৈ গৈছিল । মঞ্চৰ নিৰ্দিষ্ট আসনৰ পৰা মঞ্চৰ সন্মুখত বাঁহৰ চিকৰ আগত বহি থকা মহিলা দৰ্শকসকলক দেখি চন্দ্ৰপ্ৰভাৰ বিপ্লৱী তেজে পিপিৰাই উঠিল আৰু লগে লগে তেওঁ মঞ্চত থিয় হৈ এনে ব্যৱস্থাৰ তীব্ৰ প্ৰতিবাদ জনালে ।

**প্ৰশ্ন ৬: খালী ঠাই পূৰ কৰা –**

( ক ) সকলো ত্যাগ কৰিবা কিন্তু __ ত্যাগ নকৰিবা ।

**উত্তৰঃ** সকলাে ত্যাগ কৰিবা কিন্তু অধিকাৰ ত্যাগ নকৰিবা ।

( খ ) নগাঁৱৰ মিছ স্কুলতেই চন্দ্ৰপ্ৰিয়া __ নামেৰে আৰু ৰামেশ্বৰী ____ নামেৰে পৰিচিত হয় ।

**উত্তৰঃ** নগাঁৱৰ মিছ স্কুলতেই চন্দ্ৰপ্ৰিয়া চন্দ্ৰপ্ৰভা নামেৰে আৰু ৰামেশ্বৰী ৰজনীপ্ৰভা নামেৰে পৰিচিত হয় ।

( গ ) ___ চনত ছয়দুৱাৰত চন্দ্ৰপ্ৰভাৰ সভানেত্ৰীত্বত ৰায়ত মহিলা সমাৰোহ অনুষ্ঠিত হৈছিল ।

**উত্তৰঃ** ১৯২১ চনত ছয়দুৱাৰত চন্দ্ৰপ্ৰভাৰ সভানেত্ৰীত্বত ৰায়ত মহিলা সমাৰাোহ অনুষ্ঠিত হৈছিল ।

( ঘ ) চন্দ্ৰপ্ৰভাৰ সম্পাদনাত ওলাোৱা ____ য়ে অসমৰ নাৰী জাগৰণত ইন্ধন যাোগাোৱাৰ উপৰিও বহুতাে সু – লেখিকা গঢ় দিয়াত সহায় কৰে ।

**উত্তৰঃ** চন্দ্ৰপ্ৰভাৰ সম্পাদনাত ওলাোৱা অভিযাত্ৰীয়ে অসমৰ নাৰী জাগৰণত ইন্ধন । যােগােৱাৰ উপৰিও বহুতাে সু – লেখিকা গঢ় দিয়াত সহায় কৰে ।

**প্ৰশ্ন ৭: বিপৰীত শব্দ লিখা —**

গৌৰৱ , উত্তীৰ্ণ , অনিচ্ছা , এলাগী , মুক্তি , তীব্ৰ , ত্যাগ

**উত্তৰঃ** গৌৰৱ – বদনাম , অপযশ , দুৰ্নাম ।

উত্তীৰ্ণ – অনুত্তীৰ্ণ ।

অনিচ্ছা – ইচ্ছা ।

এলাগী – লাহী, ঘাই ।

মুক্তি – বান্ধোন ।

তীব্ৰ – ধীৰ, লাহে লাহে ।

ত্যাগ – গ্ৰহণ ।

**প্ৰশ্ন ৮: ভাৱ সম্প্ৰসাৰণ কৰা –**

**( ক ) গুণীয়েহে গুণীৰ মাোল বুজে ।**

**উত্তৰঃ** সজ গুণৰ অধিকাৰী লােকে সদায় আনৰ গুণকো আদৰ কৰে । সমাজত বিভিন্ন গুণ সম্পন্ন মানুহ থাকে ; সকলাে মানুহ একে গুণ সম্পন্ন নহয় আৰু একেজন মানুহৰ গাত বিভিন্ন গুণ থাকিব পাৰে । গুণ মানুহৰ স্ব – অৰ্জিত । শিক্ষা , কৃষি , উদ্যোগ , অভিনয় , শিল্পকলা , সমাজসেৱা, ৰাজনীতি ইত্যাদি যি ক্ষেত্ৰতে জড়িত নহওঁক কিয় , নিজ কৰ্মক্ষেত্ৰত মানুহৰ গুণৰ প্ৰকাশ ঘটে । যি নিজে কোনাে গুণৰ অধিকাৰী হয় , তেওঁ আনৰ গুণৰ মূল্য বুজি পায় আৰু গুণী লােকক আদৰ – শ্ৰদ্ধা কৰে । এই ক্ষেত্ৰত তেওঁ মানুহৰ সামাজিক অৱস্থা , অৰ্থনৈতিক অৱস্থা বা জাত – পাত আদিৰ বিচাৰ নকৰে । কিন্তু সি নিজে কোনাে গুণৰ অধিকাৰী নহয় , তেওঁ আনৰ গুণৰ মাোল বুজি নাপায় আৰু গুণী লােকৰ প্ৰতি তেওঁৰ আদৰ শ্ৰদ্ধাও নাথাকে । সেয়েহে , গুণীয়েহে গুণৰ মাোল বুজি পায় বুলি কোৱা হয় ।

**( খ ) বিদ্যাই পৰম বন্ধু ।**

**উত্তৰঃ** বিদ্যাক পৰম বন্ধু অৰ্থাৎ শ্ৰেষ্ঠ বন্ধু বুলি কোৱা হয় । বিদ্যা অৰ্জন কৰিলে ই মানুহৰ লগ নেৰে , পৰম বন্ধুৰ দৰে ই মানুহৰ লগত থাকে । কোনো বন্ধু লগত নহ’লেও বিদ্যাৰ সহায়ত কোনো অসুবিধা নোহোৱাকৈ দেশ – বিদেশ ঘুৰিব পাৰে । বিদ্যাই মানুহৰ জীৱনৰ বাট মোকলাই দিয়ে । বিদ্বানলোকে বিদ্যাৰ বলতে আপদ বিপদ বা দুৰ্যোগত নিজকে বচাব পাৰে । এই ক্ষেত্ৰত বিদ্যাই তেওঁক পৰম বন্ধুৰ দৰে সহায়

কৰে । বিদ্যা থাকিলে যিকোনো ঠাইতে সন্মান পোৱা যায় , বন্ধু পোৱা যায় । কিন্তু বিদ্যাহীন মানুহ বন্ধুহীন মানুহৰ দৰে । নিজৰ বিদ্যা নাথাকিলে কিছুমান পৰিস্থিতিত মানুহৰ অসহায় অৱস্থাত পৰিবলগীয়া হয় । সেয়েহে বিদ্যাই পৰম বন্ধু বুলি মানুহে কয় ।

## ভাষা-বিচাৰ

**প্ৰশ্ন ১: শব্দাৰ্থ লিখাঃ**

গৌৰৱ , কাপুৰুষালি , প্ৰয়াস , স্বনামধন্য , উদ্ভাসিত , মহীয়সী , তাহানি

**উত্তৰঃ** গৌৰৱ – সন্মান , মৰ্যাদা , মান্য ।

কাপুৰুষালি – ভয়াতুৰ মানুহৰ কাম , নীচকৰ্ম ।

প্ৰয়াস – চেষ্টা , যত্ন , পৰিশ্ৰম ।

স্বনামধন্য – নিজ নামেৰেই প্ৰসংসনীয় বা খ্যাত ।

উদ্ভাসিত – দীপ্ত , প্ৰকাশিত ।

মহীয়সী – অতি মহৎ , অতিশয় মহান গুণৰ মহিমা ।

তাহানি – পূৰ্ব কালত , আগৰ দিনত ।